**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 06-04-2025 **Time :** 1800 Hrs.

***Assamese Evening Bulletin***

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু অহা ২৪ এপ্ৰিলত দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব। তেওঁ ২৪ এপ্ৰিলত গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত ২০২৩ বৰ্ষৰ শ্ৰীমন্ত শংকৰদেৱ বঁটা প্ৰদান অনুষ্ঠানত অংশ ল'ব। ইয়াৰ পাছত ৰাষ্ট্ৰপতিগৰাকীয়ে গুৱাহাটী বিশ্ববিদ্যালয়ৰ দীক্ষান্ত সমাৰোহত ভাগ ল'ব।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি জনতা ভৱন চৌহদৰ লোকসেৱা ভৱনত ৰাষ্ট্ৰপতিগৰাকীৰ আসন্ন ভ্ৰমণৰ প্ৰাৰম্ভিক প্ৰস্তুতিৰ বুজ লোৱাৰ উদ্দেশ্যে ৰাজ্য চৰকাৰৰ শীৰ্ষ বিষয়া আৰু গুৱাহাটী বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ সৈতে বৈঠকত মিলিত হয়। বৈঠকত মুখ্যমন্ত্ৰীগৰাকীয়ে শ্ৰীমন্ত শংকৰদেৱ বঁটা প্ৰদান অনুষ্ঠানত বৈষ্ণৱ সংস্কৃতিৰ সমাহাৰ প্ৰতিফলিত কৰাৰ লগতে প্ৰতিটো কাৰ্যসূচী নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ সংশ্লিষ্ট বিভাগক নিৰ্দেশ দিয়ে।

০০০০০০

সমাগত পঞ্চায়ত নিৰ্বাচনত আসন বুজাবুজিৰ সন্দৰ্ভত আজি গোলাঘাটত ভাৰতীয় জনতা পাৰ্টী আৰু অসম গণ পৰিষদৰ মাজত এখন যুটীয়া বৈঠক অনুষ্ঠিত হয়। পুৰণা আমোলাপট্টিৰ বাজপেয়ী ভৱনত অনুষ্ঠিত এই বৈঠকত মন্ত্ৰী তথা বিজেপি নেতা অজন্তা নেওগ, মন্ত্ৰী বিমল বৰাৰ লগতে মন্ত্ৰী তথা অগপৰ জ্যেষ্ঠ নেতা অতুল বৰা আৰু কেশৱ মহন্ত উপস্থিত থাকে।

০০০০০০

শিৱসাগৰ জিলাৰ ডিমৌ ৰাইচাই গ্ৰাম্য ক্ৰীড়াঙ্গন খেলপথাৰত আজি ৯ হাজাৰ ৯৯৯ গৰাকী মহিলাই একেলগে সমসাজত বিয়ানাম পৰিৱেশন কৰি অসম বুক অৱ ৰেকৰ্ডছত নাম অন্তৰ্ভুক্ত কৰিবলৈ সমৰ্থ হয়। সুৰুজমুখী সন্মিলিত মহিলা সমাজৰ উদ্যোগত আৰু ডিমৌ সন্মিলিত নাৰী সমাজৰ সহযোগত আয়োজিত এই অনুষ্ঠানত অসম বুক অৱ ৰেকৰ্ডছৰ বিষয়ববীয়া উপস্থিত থাকে। হেৰাই যাবলৈ ধৰা বিয়ানামক পুনৰ উজ্জীৱিত কৰাৰ লক্ষ্যৰে এই বিশেষ কাৰ্যসূচী আয়োজন কৰা হৈছে বুলি উদ্যোক্তাসকলে জানিবলৈ দিয়ে।

০০০০০০

মাজুলী মহাবিদ্যালয়ত কাইলৈৰ পৰা চাৰিদিনীয়াকৈ অনুষ্ঠিত হ'বলগীয়া দ্বিতীয় মাজুলী মহাবিদ্যালয় গ্ৰন্থমেলাৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ হৈছে। 'কিতাপ চাওঁক, কিতাপ লওঁক, কিতাপ পঢ়ক' বিষয়বস্তুৰে আয়োজিত এই গ্ৰন্থমেলাত ৰাজ্যৰ কেইবাটাও আগশাৰীৰ প্ৰকাশন প্ৰতিষ্ঠানে অংশ ল'ব। কাইলৈ পুৱা উত্তৰ কমলাবাৰী সত্ৰৰ বৈষ্ণৱ পদ্মশ্ৰী সন্মানেৰে সন্মানিত গোপীৰাম বৰগায়ন বুঢ়া ভকত আতাই বন্তি প্ৰজ্বলন কৰাৰ পাছতে অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীয়ে গ্ৰন্থমেলাখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে।

০০০০০০০

পঞ্চায়ত নিৰ্বাচনৰ প্ৰস্তুতিৰ বাবে আজি শোণিতপুৰৰ তেজপুৰত জিলা আয়ুক্ত অংকুৰ ভড়ালীৰ অধ্যক্ষতাত এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। বৈঠকত আৰক্ষী অধীক্ষক বৰুণ পুৰকায়স্থসহ জিলা উন্নয়ন আয়ুক্ত, অতিৰিক্ত জিলা আয়ুক্ত, নিৰ্বাচনী বিষয়াৰ লগতে বিভিন্ন ৰাজনৈতিক দলৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। বৈঠকত নিৰ্বাচনী সময়সূচী, মনোনয়ন দাখিলৰ প্ৰক্ৰিয়া, শপতনামা আৰু নিৰ্বাচনী প্ৰতীক বিতৰণৰ নিয়ম কানুন সন্দৰ্ভত আলোচনা কৰা হয়। আৰক্ষী অধীক্ষকগৰাকীয়ে আচৰণ বিধি মানি চলিবৰ বাবে ৰাজনৈতিক দলসমূহক আহ্বান জনায়। বৈঠকত প্ৰশাসনে অনুমোদন জনোৱা কৰ্মচাৰীসকলৰ তালিকা, প্ৰচাৰ সামগ্ৰীৰ অনুমোদিত মূল্য আৰু ভোটগ্ৰহণ কেন্দ্ৰৰ তালিকাও ৰাজনৈতিক দলসমূহক প্ৰদান কৰে। গোলাঘাট জিলা প্ৰশাসনেও পঞ্চায়ত নিৰ্বাচন সুকলমে পৰিচালনা কৰাৰ বাবে সাজু হৈছে। জিলাখনৰ বিভিন্ন স্থানত থকা মনোনয়ন কেন্দ্ৰসমূহত নিৰ্বাচনী বিষয়াসকল ব্যস্ত হৈ পৰিছে।

০০০০০০

অসম সাহিত্য সভাৰ তৰফৰ পৰা আজি ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ তথা ডিব্ৰুগড় সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ডঃ শশীকান্ত শইকীয়াক আন্তৰাজ্যিক আৰু বিদেশ মৈত্ৰীবন্ধন উপ সমিতিৰ আহ্বায়কৰ দায়িত্ব অৰ্পন কৰে। অসম সাহিত্য সভাৰ কেন্দ্ৰীয় উপ সভাপতি পদুম ৰাজখোৱাই শ্ৰীশইকীয়াক নিযুক্তি পত্ৰ আনুষ্ঠানিকভাৱে প্ৰদান কৰে। শইকীয়াই নিযুক্তিপত্ৰ গ্ৰহণ কৰি অসম সাহিত্য সভাৰ সভাপতি ডঃ বসন্ত কুমাৰ গোস্বামী, উপ সভাপতি ৰাজখোৱা আৰু প্ৰধান সম্পাদক দেৱজিত বৰা প্ৰমুখ্যে সকলো বিষয়ববীয়ালৈ কৃতজ্ঞতা জ্ঞাপন কৰে।

০০০০০০০

নুমলীগড় শাখা সাহিত্য সভাৰ উদ্যোগত আজি গুৱাহাটী উজান বজাৰৰ বিবেকানন্দ কেন্দ্ৰ প্ৰেক্ষাগৃহত ডঃ কাজল শইকীয়াৰ 'প্ৰেমৰ পান্থশালা' শীৰ্ষক কাব্যপুথিখন উন্মোচন কৰা হয়। বিশিষ্ট কবি বিপুলজ্যোতি শইকীয়া, অতনু শইকীয়া, প্ৰশান্ত সাগৰ চাংমাই, ঔপন্যাসিক মণিকুন্তলা ভট্টাচাৰ্য, গীতিকাৰ, সাংবাদিক গৌতম শৰ্মা আৰু অভিনেতা প্ৰাঞ্জল শইকীয়াই কাব্যপুথিখন উন্মোচন কৰে। এই সংকলনখনত কবিগৰাকীৰ সামাজিক মাধ্যমত ইতিপূৰ্বে প্ৰকাশিত ৪০ টা কবিতা অন্তৰ্ভুক্ত কৰা হৈছে।

০০০০০০০

ধেমাজি জিলাৰ চমৰাজানত অনুষ্ঠিত সদৌ চুতীয়া জাতি সন্মিলনৰ জিলা পৰ্যায়ৰ শতবাৰ্ষিকী সমাৰোহৰ আজি সামৰণি পৰে।

আজি অন্তিম দিনা পানীতোলা স্বৰ্ণজ্যোতি হাইস্কুল খেলপথাৰৰ  সাধনী মহাক্ষেত্ৰৰ পৰা বাৰেৰহনীয়া সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা

হয়। সদৌ ধেমাজি জিলা চুতীয়া জাতি সন্মিলনৰ উদ্যোগত এই শতাবাৰ্ষিকী সমাৰোহ অনুষ্ঠিত হৈছে।–

০০০০০০০

পৰম্পৰাগত অসমীয়া গহনাই জি আই টেগ অৰ্থাৎ ভৌগোলিক সূচাংক লাভ কৰা সন্দৰ্ভত আকাশবাণী গুৱাহাটী কেন্দ্ৰই আজি সন্ধিয়া ৭ বাজি ৪৫ মিনিটত এটা বিশেষ সংবাদচলন্তিকা প্ৰচাৰ কৰিব। এই অনুষ্ঠানটোৰ প্ৰযোজনা আৰু উপস্থাপন ৰাজীৱ লোচন বৰঠাকুৰৰ।

**সমাপ্ত**